**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 29-04-2025 **Time :** 0900 Hrs.

## Assamese Morning Bulletin
## Headlines

১। অহা ২ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ কাইলৈ সামৰণি।

২। অসমৰ অনিল কুমাৰ বড়ো আৰু জয়নাচৰণ বাথাৰীলৈ পদ্মশ্ৰী সন্মান।

৩। কাশ্মীৰৰ পহলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ সমৰ্থনত মন্তব্য দিয়া ২৭ জন লোকক অসম আৰক্ষীৰ গ্ৰেপ্তাৰ।

৪। জ্যেষ্ঠ অধিবক্তা কমল নয়ন চৌধুৰীৰ বিৰুদ্ধে গুৱাহাটী উচ্চ ন্যায়ালয়ত চলা আদালত অৱমাননাৰ গোচৰত উচ্চতম ন্যায়ালয়ৰ অন্তৰ্বৰ্তী স্থগিতাদেশ জাৰি।

*আৰু*

৫। ১৪ বছৰ বয়সীয়া বৈভৱ সূৰ্যবংশীৰ অভিলেখেৰে আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত গুজৰাট টাইটানছৰ বিৰুদ্ধে ৰাজস্থান ৰয়েলছৰ বৃহৎ জয়।

ooooooo

অহা ২ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ কাইলৈ সামৰণি পৰিব। নিৰ্বাচন উপলক্ষে বিভিন্ন ৰাজনৈতিক দলৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে।

মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ড° হিমন্ত বিশ্ব শৰ্মাই কালি বিশ্বনাথ, শোণিতপুৰ আৰু নগাঁৱত প্ৰচাৰ সভাত অংশ লয়। জনসাধাৰণক উদ্দেশ্যি দিয়া ভাষণত দলটোৱে জনসাধাৰণৰ কল্যাণৰ হকে কাম কৰি যাব বুলি তেওঁ প্ৰতিশ্ৰুতি দিয়ে। শোণিতপুৰ জিলাৰ নিৰ্বাচনী পৰিৱেশ আৰু প্ৰস্তুতি সন্দৰ্ভত আমাৰ সংবাদদাতা ৰজত ভৰদ্বাজে এইদৰে কয়–

***(বাইট ঃ ৰজত ভৰদ্বাজ)***

বিজেপিৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি ডিব্ৰুগড় জিলাৰ টিংখং, নাহৰকটীয়াৰ উপৰি দুলীয়াজানৰ ঘাঁহী ফুকনবাৰীত আয়োজিত জনসভাত অংশ লয়। তেওঁ বিকাশৰ অনিৰুদ্ধ গতি ত্বৰান্বিত কৰাৰ বাবে বিজেপিৰ প্ৰাৰ্থীক জয়ী কৰিবলৈ আহ্বান জনায়। সোণোৱালে আজি তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাৰ নগা পথাৰ ৰংগমঞ্চ, ডিকম কৰম ভৰন আৰু মনোহাৰী চাহ বাগিচাৰ খেল পথাৰত হ'বলগীয়া সভাত নিৰ্বাচনী প্ৰচাৰ চলাব।

শাসকীয় বিজেপি আৰু অসম গণ পৰিষদৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলৰ হৈ দুয়োটা দলে কালি ডিব্ৰুগড় জিলাৰ বিভিন্ন প্ৰান্তত প্ৰচাৰ চলায়। অগপৰ সভাপতি অতুল বৰা, কাৰ্যকৰী সভাপতি কেশৱ মহন্ত, স্থানীয় বিধায়ক পোনাকণ বৰুৱা জ্যেষ্ঠ নেতাই কালি জিলাখনৰ কেইবা ঠাইতো প্ৰচাৰ চলায়। তিনিচুকীয়াৰ মাকুম বিধানসভা সমষ্টিৰ অন্তৰ্গত

পানীতোলা জিলা পৰিষদ তথা পৰিষদৰ অধীনৰ আঞ্চলিক পঞ্চায়তৰ এন ডিৰ সমৰ্থিত প্ৰাৰ্থীসকলৰ হৈও তেওঁলোকে প্ৰচাৰ চলায়। শিৱসাগৰ নগৰৰ সমীপৰ বেতবাৰী আলিমূৰত অনুষ্ঠিত সভাতো মন্ত্ৰী বৰাই অংশ লয়।

কংগ্ৰেছ দলৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই কালি ৰঙানদী সমষ্টিৰ বিভিন্ন স্থানত প্ৰচাৰ কাৰ্যসূচীত অংশ লয়। সাংসদ গৌৰৱ গগৈয়ে যোৰহাট জিলাৰ বিভিন্ন স্থানত প্ৰচাৰ অব্যাহত ৰাখিছে।

ধুবুৰী জিলাৰ গৌৰীপুৰৰ খাগৰাবাৰীত কংগ্ৰেছৰ সাংসদ ৰকিবুল হুছেইনে কালি এখন নিৰ্বাচনী সভাত অংশ লয়। তেওঁ গৌৰীপুৰ বিধানসভাৰ ১৫ নম্বৰ ৰূপচি জিলা পৰিষদৰ সদস্য পদৰ কংগ্ৰেছৰ প্ৰাৰ্থীগৰাকীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। এই সভাত অসম প্ৰদেশ কংগ্ৰেছৰ উপ-সভাপতি নৃপেন্দ্ৰ ঠাকুৰীয়া উপস্থিত থাকে। শ্ৰী ভূমি জিলাত কালি বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই নিৰ্বাচনী প্ৰচাৰ চলায়। সভাত ৰাজ্যসভাৰ সাংসদ মিছন ৰঞ্জন দাসকে ধৰি কেইবাজনো দলীয় নেতা উপস্থিত থাকে।

নিৰ্বাচন উপলক্ষে ৰাজ্যৰ সকলো প্ৰান্ততে প্ৰশাসনৰ তৎপৰতা বৃদ্ধি পাইছে। মৰিগাঁৱৰ সাধাৰণ পৰ্যৱেক্ষক উদয়াদিত্য গগৈয়ে আজি মৰিগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত জটিল হিচাপে চিহ্নিত খাটৰবৰী প্ৰাথমিক বিদ্যালয় আৰু শৌলমাৰী প্ৰাথমিক বিদ্যালয় ভোটগ্ৰহণ কেন্দ্ৰকেইটা পৰিদৰ্শন কৰে। মৰিগাঁও জিলা প্ৰশাসনৰ প্ৰস্তুতি সন্দৰ্ভত আমাৰ সংবাদদাতা ডালিম ফুকনে এইদৰে কয়–

*(বাইট ঃ ডালিম ফুকন)*

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি ৭১ গৰাকী ব্যক্তিক ২০২৫ বৰ্ষৰ পদ্ম বঁটাসমূহ প্ৰদান কৰে। দেশৰ অন্যতম সৰ্বোচ্চ অসামৰিক সন্মান পদ্ম বঁটা- পদ্ম বিভূষণ, পদ্মভূষণ আৰু পদ্মশ্ৰী এই তিনিটা শিতানত প্ৰদান কৰা হয়। অসমৰ সাহিত্য আৰু শিক্ষাৰ ক্ষেত্ৰলৈ আগবঢ়োৱা বৰঙণিৰ বাবে অনিল কুমাৰ বড়ো আৰু ডিমা হাচাও জিলাৰ প্ৰবীণ লোকসংগীত শিল্পী জয়নাচৰণ বাথাৰীলৈ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হয়। পদ্মভূষণ বঁটা লাভ কৰা সত্ৰীয়া সংস্কৃতিৰ বিশিষ্ট সাধক নৃত্যাচাৰ্য যতীন গোস্বামীক পৰৱৰ্ত্তী পৰ্যায়ত এই বঁটা প্ৰদান কৰা হ'ব।

বিশিষ্ট ভায়লিনবাদক তথা সুৰকাৰ ড০ এল সুব্ৰমনিয়ম আৰু গেষ্ট্ৰ'এণ্ট্ৰ'লজিষ্ট ডাঃ নাগেশ্বৰ ৰেড্ডীক কালি পদ্ম বিভূষণ বঁটা প্ৰদান কৰা হয়। বিশিষ্ট জাপানী উদ্যোগপতি তথা চুঝুকী মটৰ কৰ্পৰেশ্বনৰ অধ্যক্ষ ওচামা চুঝুকীলৈ মৰনোত্তৰভাৱে পদ্মবিভূষণ বঁটা আগবঢ়োৱা হয়। পদ্মভূষণ বঁটা লাভ কৰা বিশিষ্ট ব্যক্তিসকলৰ ভিতৰত বিশিষ্ট সম্পাদক আৰু প্ৰচাৰ ভাৰতীৰ প্ৰাক্তন অধ্যক্ষ এ সূৰ্য প্ৰকাশ, চলচ্চিত্ৰ অভিনেতা অনন্ত নাগ, নন্দামুৰী বালাকৃষ্ণ আৰু এছ্‌ অজিত কুমাৰ, বোলছবি নিৰ্মাতা শেখৰ কাপুৰ আৰু ভৰত নাট্যম নৃত্যশিল্পী শ্ব'বনা চন্দ্ৰকুমাৰ, ভাৰতীয় হকী দলৰ প্ৰাক্তন অধিনায়ক পি আৰ সৃজেশ অন্যতম। বিশিষ্ট গজল গায়ক পংকজ উধাছক মৰণোত্তৰভাৱে প্ৰদান কৰা এই বঁটা তেওঁৰ পত্নীয়ে গ্ৰহণ কৰে। ক্ৰিকেটাৰ ৰবিচন্দ্ৰন অশ্বীন, এছ্‌ বি আইৰ প্ৰাক্তন অধ্যক্ষ অৰুন্ধতি ভট্টাচাৰ্য্যলৈ পদ্মশ্ৰী বঁটা আগবঢ়োৱা হয়।

০০০০০০০

অসম আৰক্ষীয়ে সন্ত্ৰাসবাদী কাৰ্যকলাপৰ সমৰ্থন জনাই মন্তব্য দিয়া লোকৰ বিৰুদ্ধে অভিযান চলাই এই পৰ্যন্ত ২৭ জন লোকক গ্ৰেপ্তাৰ কৰিছে। কাশ্মীৰৰ পহলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ সমৰ্থনত মন্তব্য দিয়া লোকৰ বিৰুদ্ধে অসম আৰক্ষীয়ে অভিযান চলাই যোৱা ২৪ ঘণ্টাত ৮ জন লোকক গ্ৰেপ্তাৰ কৰে। গোৱালপাৰা, তামুলপুৰ,

ধুবুৰী, শ্ৰীভূমি, কোকৰাঝাৰ আৰু কামৰূপ জিলা আৰক্ষীয়ে কালি এই লোকসকলক গ্ৰেপ্তাৰ কৰে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ইতিপূৰ্বে অসম আৰক্ষীক দিয়া নিৰ্দেশ অনুসৰি দেশ বিৰোধী মন্তব্য কৰা লোকসকলক ততালিকে গ্ৰেপ্তাৰ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি কয়, যে ৰাজ্য চৰকাৰে সন্ত্ৰাসবাদ বিৰোধী শক্তিশালী স্থিতি গ্ৰহণ কৰি আহিছে। একাংশ লোকে ভাৰতবৰ্ষত থাকিও দেশ বিৰোধী মন্তব্য কৰি পৰিৱেশ বিনষ্ট কৰি অহাৰ প্ৰতি লক্ষ্য ৰাখি অসম আৰক্ষীক এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণৰ কঠোৰ নিৰ্দেশ দিয়া হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

গোৱালপাৰা আৰক্ষীয়ে কালি নৰ্মেল হক, তামুলপুৰ আৰক্ষীয়ে তাহিব আলী আৰু শ্বেইখ সৰোজ, শ্ৰীভূমি আৰক্ষীয়ে কামালুদ্দিন আৰু আব্দুল মুকিদ, ধুবুৰী আৰক্ষীয়ে ফিৰাজুল ইছলাম নামৰ লোকজনক গ্ৰেপ্তাৰ কৰে। কামৰূপ আৰক্ষীয়ে চামচুল হক আৰু কোকৰাঝাৰ আৰক্ষীয়ে ডাৰ্ক কিং নামৰ লোক এজনক গ্ৰেপ্তাৰ কৰিছে।

উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ডঃ শৰ্মাই সামাজিক মাধ্যমত আপত্তিজনক পোষ্ট পৰীক্ষা কৰাৰ নিৰ্দেশ দিয়াৰ লগতে আপত্তিজনক মন্তব্য দেখা মাত্ৰেই ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰক্ষীক নিৰ্দেশ দিছে।

০০০০০০০

উচ্চতম ন্যায়ালয়ে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ উকীল সন্থাৰ সভাপতি তথা জ্যেষ্ঠ অধিবক্তা কমল নয়ন চৌধুৰীৰ বিৰুদ্ধে গুৱাহাটী উচ্চ ন্যায়ালয়ত চলা আদালত অৱমাননাৰ গোচৰত অন্তৰ্বৰ্তী স্থগিতাদেশ জাৰি কৰিছে। অৱশ্যে জ্যেষ্ঠ অধিবক্তা অনিল কুমাৰ ভট্টাচাৰ্য আবু অধিবক্তা পল্লৱী তালুকদাৰৰ বিৰুদ্ধে গুৱাহাটী উচ্চ ন্যায়ালয়ত আদালত অৱমাননাৰ গোচৰ চলি থাকিব। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰৰ মহাধিবক্তা দেৱজিৎ শইকীয়াই গুৱাহাটী উচ্চ ন্যায়ালয়ত তৰা আদালত অৱমাননাৰ ফৌজদাৰী গোচৰত প্ৰত্যাহ্বান জনাই জ্যেষ্ঠ অধিবক্তা কমল নয়ন চৌধুৰীয়ে উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰিছিল। কালি ন্যায়ালয়ৰ ন্যায়াধীশ বিক্ৰম নাথ আৰু সন্দীপ মেহতাৰ খণ্ড বিচাৰপীঠে এই আদেশ জাৰি কৰে। উচ্চতম ন্যায়ালয়ে মহাধিবক্তা দেৱজিৎ শইকীয়ালৈ চাৰি সপ্তাহৰ ভিতৰত উত্তৰ দিয়াৰ বাবে জাননী জাৰি কৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ উকীল সন্থাই দাখিল কৰা আন এখন আবেদন উচ্চতম ন্যায়ালয়ে কালি খাৰিজ কৰে। উল্লেখযোগ্য যে গুৱাহাটী উচ্চ ন্যায়ালয় উত্তৰ গুৱাহাটীৰ ৰংমহললৈ স্থানান্তৰৰ প্ৰস্তাৱৰ বিৰুদ্ধে যোৱা ২৪ মাৰ্চত উকীল সন্থাৰ প্ৰতিবাদী কাৰ্যসূচীৰ সময়ত গুৱাহাটী উচ্চ ন্যায়ালয় আৰু ন্যায়াধীশ সুমন শ্যাম সন্দৰ্ভত আপত্তিজনক মন্তব্য কৰাৰ অভিযোগত মহাধিবক্তা শইকীয়াই দুটা আদালত অৱমাননাৰ ফৌজদাৰী গোচৰ তৰিছিল। দুয়োটা গোচৰৰ ভিত্তিত গুৱাহাটী উচ্চ ন্যায়ালয়ে যোৱা ১২ এপ্ৰিলত কমল নয়ন চৌধুৰীসহ পদকীয়া পক্ষলৈ জাননী জাৰি কৰে।

০০০০০০০

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কালি গুৱাহাটীৰ ইন্দিৰা গান্ধী এথলেটিক ষ্টেডিয়ামত অনুষ্ঠিত দ্বাদশ ছিনিয়ৰ নেচনেল ৰাগবী ছেভেন এছ চেম্পিয়নশ্বিপৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰে। অনুষ্ঠানত দিয়া ভাষণত ৰাজ্যপালগৰাকীয়ে এই প্ৰতিযোগিতাক কেৱল এটা ক্ৰীড়া কাৰ্যসূচী নহয়, বৰং যুৱ শক্তি, অনুশাসন, নিষ্ঠা আৰু দলীয় কৰ্মৰ সাৰ্থক নিদৰ্শন বুলি অভিহিত কৰে। ৰাজ্যপালগৰাকীয়ে ক্ৰীড়াৰ সৰ্বাত্মক প্ৰভাৱ আৰু মূল্য সম্পৰ্কে নিজৰ ভাষণত উল্লেখ কৰে। ৰাগবীৰ দৰে খেলসমূহে খেলুৱৈৰ মনত কৌশলগত চিন্তা-চৰ্চা, দলগত সমন্বয় আৰু অধ্যাৱসায়ৰ মনোভাৱ গঢ়ি তোলাৰ লগতে দক্ষতাৰো বিকাশ কৰে বুলি তেওঁ উল্লেখ কৰে। এই প্ৰসংগতে ৰাজ্যপালগৰাকীয়ে অসম

চৰকাৰে ৰাজ্যখনত ক্ৰীড়াৰ উন্নয়নৰ বাবে গ্ৰহণ কৰা খেল মহাৰণকে ধৰি কাৰ্যসূচীসমূহৰ বিষয়ে উল্লেখ কৰে। তেওঁ খেলুৱৈসকলক জয়-পৰাজয় দুয়োটাকে ইতিবাচক দৃষ্টিভংগীৰে গ্ৰহণ কৰিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে কালি পশ্চিমবংগ আৰু হাৰিয়ানাৰ মাজত অনুষ্ঠিত চূড়ান্ত খেলত পশ্চিমবংগই জয়লাভ কৰে। কালিৰ সামৰণি অনুষ্ঠানত গুৱাহাটীৰ উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ অৰূপ কুমাৰ গোস্বামী, বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা, আৰক্ষী আয়ুক্ত ড° পাৰ্থসাৰথি মহন্তৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০

১৪ বছৰ বয়সীয়া বৈভৱ সূৰ্যবংশীৰ ঐতিহাসিক শতকৰ সহায়ত যোৱা নিশা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰাজস্থান ৰয়েলছে গুজৰাট টাইটানছক ৮ উইকেটত পৰাস্ত কৰে। জয়পুৰৰ ছাৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ৰাজস্থানে ২৫ টা বল বাকী থাকোঁতেই ২১০ ৰানৰ বিজয় লক্ষ্য অতিক্ৰম কৰিবলৈ সক্ষম হয়। যশস্বী জয়ছোৱালে ৪০ টা বলত ৭০ আৰু অধিনায়ক ৰিয়ান পৰাগে ১৫ টা বলত ৩২ ৰান কৰি আউট নোহোৱাকৈ থাকি দলৰ জয় সুনিশ্চিত কৰে।

ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰা গুজৰাটে নিৰ্ধাৰিত ২০ অভাৰত ৪টা উইকেট হেৰুৱাই ২০৯ ৰাণ সংগ্ৰহ কৰে। অধিনায়ক শুভমন গিলে সৰ্বাধিক ৮৪ আৰু জছ্ বাটলাৰে ৫০ ৰানৰ বৰঙণি আগবঢ়ায়।

কালিৰ এই খেলখনতে ৰাজস্থানৰ বৈভৱ সূৰ্যবংশীয়ে কেইবাটাও অভিলেখ সৃষ্টি কৰিবলৈ সমৰ্থ হয়। ৩৮টা বলত ১০১ ৰান কৰা বৈভৱ আই পি এলৰ ইতিহাসত শতক অৰ্জন কৰা সৰ্বকনিষ্ঠ খেলুৱৈত পৰিণত হয়। তদুপৰি বৈভৱ প্ৰতিযোগিতাখনৰ ইতিহাসৰ দ্ৰুততম শতক অৰ্জনকাৰী ভাৰতীয় খেলুৱৈতো পৰিণত হয়। ইয়াৰ পূৰ্বে এই অভিলেখ ইউছুফ পাঠানৰ নামত আছিল। ইউছুফ পাঠানে ৩৭টা বলত শতক অৰ্জন কৰিছিল। আনহাতে বৈভৱৰ কালিৰ ইনিংছটো আছিল আই পি এলৰ দ্বিতীয় দ্ৰুততম শতক। ৩০টা বলত শতক অৰ্জন কৰা ক্ৰিছ্ গেইলৰ নামত আই পি এলৰ দ্ৰুততম শতকৰ অভিলেখ লিপিবদ্ধ আছে। বৈভৱে কালি আই পি এলৰ সৰ্বকনিষ্ঠ খেলুৱৈৰূপে অৰ্ধশতক কৰাৰ অভিলেখ গঢ়াৰ লগতে আই পি এলৰ এটা ইনিংছত সৰ্বাধিক ছিক্সাৰ কোবোৱা ভাৰতীয় খেলুৱৈৰূপে মুৰুলী বিজয়ৰ পূৰ্বৰ অভিলেখ স্পৰ্শ কৰে। উল্লেখযোগ্য যে, আই পি এলত অভিষেক ঘটা সৰ্বকনিষ্ঠ খেলুৱৈৰ অভিলেখো বৈভৱৰ নামতে আছে।

প্ৰতিযোগিতাত আজি নতুন দিল্লীত দেলহী কেপিটেলছ কলকাটা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০০

## NEWS PAPER REV./RNU

পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক লৈ ভাৰত-পাকিস্তানৰ মাজত চলি থকা সংঘাট তথা ভাৰতৰ তৎপৰতা, বিষয়টোক লৈ বিশ্বৰ আন কেইবাখনো ৰাষ্ট্ৰৰ স্থিতি, পঞ্চায়ত নিৰ্বাচনকলৈ ৰাজ্যজুৰি চলা প্ৰস্তুতি, বলিউদত অভিনয় কৰা গুৱাহাটীৰ যুৱকক নৃশংখ হত্যাৰ অভিযোগকে ধৰি কেইবাটাও খবৰ আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান পাইছে।

ইয়াৰে ভাৰত পাকিস্তানৰ সংঘাটৰ বিষয়টোত অসমীয়া প্ৰতিদিন কাকতে, **পি অ' কেত ছাৰ্জিকেল ষ্টাইকৰ ব্লু প্ৰিণ্ট চূড়ান্ত ঃ সন্ত্ৰাসবাদীৰ ৪২ ঘাটিত চলিব অভিযান** আৰু **ৰয়টাৰেৰে সাক্ষাৎকাৰত পাক প্ৰতিৰক্ষা মন্ত্ৰী ঃ**

**পাকিস্তানত ভাৰতৰ সামৰিক আক্ৰমণ আসন্ন** শিৰোনামেৰে দুটা বাতৰি আৰু দৈনিক অসম কাকতে **পাক প্ৰতিৰক্ষা মন্ত্ৰীৰ আশংকা- ভাৰতৰ আক্ৰমণ অৱধাৰিত, প্ৰয়োজনত পাৰমাণৱিক অস্ত্ৰ ব্যৱহাৰ কৰিব পাকিস্তানে, প্ৰত্যাঘাট-মোদী-ৰাজনাথ বৈঠক,** শিৰোনামেৰে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণ আৰু ভাৰত-পাকিস্তানৰ সংঘাটক লৈ আন ৰাষ্ট্ৰৰ হস্তক্ষেপ তথা ভাৰতৰ সামৰিক প্ৰস্তুতি সম্পৰ্কীয় আন এটা বাতৰিক দ্যা আছাম ট্ৰিবিউন কাকতে Pahalgam Attack- China Calls for swift, fair investigation-backs pakistan in safeguarding its sovereignty আৰু দৈনিক জনমভূমি কাকতে **প্ৰধানমন্ত্ৰীৰ তৎপৰতা, কূটনীতিবিদৰ ভাষ্যৰ উদ্ধৃতিৰে আমেৰিকাৰ কাকতত বাতৰি- পাকিস্তানত চলিব আক্ৰমণ-নিউয়ৰ্ক টাইমছ** শিৰোনাম দিছে।

ইপিনে ভাৰতে ২০৩০ চনৰ ভিতৰত ২৬ খন ৰাফাল বিমান ক্ৰয় কৰিবলৈ লোৱাৰ বাতৰি এটা দ্যা টাইমছ অব ইণ্ডিয়া কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

পঞ্চায়ত নিৰ্বাচনক লৈ ৰাজ্যত চলা প্ৰশাসনৰ প্ৰস্তুতি আৰু ৰাজনৈতিক দলসমূহৰ তৎপৰতাৰ বিষয়টো আজি কেইবাখনো কাকতৰ প্ৰথম পৃষ্ঠাত স্থান পাইছে। নিয়মীয়া বাৰ্তাকে ধৰি কেইবাখনো কাকতে বাতৰিটো প্ৰথম পৃষ্ঠাত স্থান দিছে।

অলপতে কংগ্ৰেছ সাংসদ প্ৰদ্যুৎ বৰদলৈৰ ওপৰত চলা আক্ৰমণৰ ঘটনাত বিজেপি জড়িত নাই বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ স্পষ্টিকৰণ আৰু ঘটনাত প্ৰাক্তন কংগ্ৰেছী জড়িত থকা বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰা বাতৰি অসমীয়া খবৰকে ধৰি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। বাতৰিটো আমাৰ অসম কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে নতুন দিল্লীত ৭১ গৰাকী ব্যক্তিলৈ পদ্মবঁটা আগবঢ়োৱাৰ বাতৰিটো দ্যা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

মুম্বাইত ৱেব ছিৰিজকে ধৰি বিভিন্ন প্ৰকল্পত অভিনয় কৰা গুৱাহাটীৰ বৰ্ষাপাৰাৰ ৰোহিত বাছফৰ নামৰ যুৱকজনৰ মৃতদেহ গড়ভঙা বনাঞ্চলত উদ্ধাৰ হোৱা আৰু যুৱকজনক হত্যা কৰা বুলি পৰিয়ালৰ লোকে অভিযোগ কৰাৰ বাতৰি এটা দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৮ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৯ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, আৰু মেঘালয়ৰ ঠাই বিশেষে মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। আনহাতে নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই লগতে প্ৰকাশ কৰিছে।

০০০০০০০

**সমাপ্ত**